অধ্যায় ৯ ঃ বৃহৎসংহিতা (বাস্তুবিদ্যাধ্যায়) পাঠ্যাংশৰ আলোচনা (শ্লোক ঃ ১-২১)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.২.১ বৃহৎসংহিতাৰ চমু পৰিচয়

৯.৩ বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ (১-২১) শ্লোকসমূহৰ সংস্কৃত পাঠ

৯.৩.১ শ্লোকসমূহৰ গদ্যৰূপ

৯.৩.২ শ্লোকসমূহৰ শব্দার্থ

৯.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৯.৪ ব্যাখ্যা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ প্রথম একৈশটা শ্লোকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ গদ্যৰূপ জানিব পাৰিব
- শ্লোকসমূহত থকা শব্দবোৰৰ অসমীয়া শব্দার্থ জানিব পাৰিব
- শ্লোকসমূহৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব
- কেইটামান শ্লোকৰ ব্যাখ্যা অধ্যয়ন কৰিব পাৰিব।

৯.২ পৰিচয়

ৰৰাহমিহিৰ ৰচিত বৃহৎসংহিতা নামৰ গ্রন্থখনৰ বাস্তুবিদ্যা অধ্যায়টো এটি অত্যন্ত গুৰুত্বপূর্ণ অধ্যায়। এই অধ্যায়ত গৃহনির্মাণৰ পদ্ধতিৰ বিষয়ে বর্ণনা কৰা হৈছে। 'বাস্তু' শব্দৰ অর্থ হৈছে 'বাসস্থান, গৃহ, গৃহভূমি' আদি।' যি শাস্ত্রত গৃহ নির্মাণৰ বিষয়ক বিভিন্ন নিয়মসমূহৰ উল্লেখ থাকে তাকে বাস্তুবিদ্যা বোলে। বিভিন্ন প্রকাৰৰ গৃহ নির্মাণৰ বিষয়ে আলোচনা কৰাৰ উপৰিও সেই গৃহসমূহৰ সুফল-কুফল আদিৰ বিষয়েও বাস্তুবিদ্যা নামৰ গ্রন্থত আলোচনা কৰা হৈছে।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বৃহৎসংহিতা গ্রন্থখনৰ এক চমু আভাস লাভ কৰিব

পাৰিব। অধ্যায়টিৰ জৰিয়তে বৃহৎসংহিতা গ্ৰন্থখনৰ লিখকৰ নাম, ইয়াৰ ৰচনাকাল আদিৰ বিষয়ে অৱগত হ'ব। লগতে বৃহৎসংহিতা গ্ৰন্থৰ ৫৩ সংখ্যক অধ্যায়ৰ অর্থাৎ বাস্তুবিদ্যাধ্যায়ৰ প্ৰথম একৈশটা (২১) শ্লোকৰ সংস্কৃত পাঠ, শ্লোকসমূহৰ গদ্যৰূপ, শব্দার্থ, অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব। কেইটামান গুৰুত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যাও এই অধ্যায়ত আগবঢ়োৱা হৈছে।

৯.২.১. বৃহৎ সংহিতাৰ চমু পৰিচয়

বৃহৎসংহিতা গ্ৰন্থখন সংস্কৃত ভাষাত ৰচিত বিশ্বকোষ সদৃশ এখন অতুলনীয় গ্ৰন্থ। মানুহৰ বিভিন্ন ৰুচি-অভিৰুচিৰ বিষয় সম্বলিত এই গ্ৰন্থখন ৬ষ্ঠ শতিকাত ৰচিত হোৱা বুলি পণ্ডিতসকলে অনুমান কৰে। এশ ছয় (১০৬) টা অধ্যায় সম্বলিত এই গ্ৰন্থখনত নক্ষত্ৰবিদ্যা, গ্ৰন্থৰ গতি, বৰষুণ, ভূমিকম্প, বাস্তুশাস্ত্ৰ, বৃক্ষায়ুর্বেদ, শস্যবৃদ্ধিৰ লক্ষণ, প্ৰতিমা নির্মাণ, পাৰিবাৰিক সম্বন্ধ, ৰত্ন লক্ষণ, বিভিন্ন কর্ম আদি অলেখ বিষয়ৰ বর্ণনা উপলব্ধ।

ৰৰাহমিহিৰে নিজৰ জীৱনকালছোৱাত উপলব্ধ প্ৰায় সকলোবোৰ সংহিতাত থকা নিয়মসমূহ একত্ৰে সংকলন কৰি লোকহিতকৰ কাম কৰি থৈ গৈছে। বহুতো ক্ষেত্ৰত তেওঁ বৈজ্ঞানিক দৃষ্টিভংগীৰে বিষয়সমূহ বিচাৰ-বিশ্লেষণ কৰি পৌৰাণিক বিচাৰধাৰাবোৰক অবান্তৰ হিচাপে প্ৰমাণিত কৰাও দেখা যায়। বহুতো বিষয়ত অৱশ্যে পৌৰাণিক শাস্ত্ৰক আধাৰ কৰিয়েই মন্তব্য দিছে। কিন্তু সেইবোৰতো তেওঁ সুদৃঢ় বিশ্লেষণ আগবঢ়াই থৈ গৈছে। অর্থাৎ বৃহৎসংহিতা গ্ৰন্থখন অধ্যয়ন কৰি প্ৰায় সকলোবোৰ মানুহেই তাৰ প্ৰামাণিকতা সম্বন্ধে নিঃসন্দেহ হ'ব পাৰিব।

বর্তমান উপলব্ধ সংস্কৃত ভাষাত ৰচিত বৃহৎসংহিতাৰ ভট্টোৎপল ৰচিত টীকা হ'ল উল্লেখযোগ্য। বৃহৎসংহিতা গ্ৰন্থখন ৰচনাৰ প্ৰায় ৪৫০ বছৰৰ পিছতহে ভট্টোৎপলৰ গ্ৰন্থখন ৰচিত হৈছিল। কিন্তু বর্তমান ই উপলব্ধ নহয়। ইয়াৰ পিছৰ সময়ছোৱাত বৃহৎসংহিতা গ্ৰন্থৰ ছপাৰূপ ওলোৱাৰ লগে লগে হিন্দী, ইংৰাজী, মাৰাঠী আদি ভাষালৈও অনুবাদ হয়।

বৃহৎসংহিতা বৰাহমিহিৰৰ কাব্যাত্মক ভাষাত ৰচিত এখনি অদ্বিতীয় গ্ৰন্থ। প্ৰায় ৬০ প্ৰকাৰৰ ছন্দ প্ৰয়োগ কৰি লিখা এই গ্ৰন্থ বিখ্যাত সংস্কৃত পণ্ডিতসকলৰ বাবে আজিও বিস্ময়জনক।



জানি থোৱা ভাল

ৰৰাহমিহিৰ— আনুমানিক পাঁচশ শতিকাত আচার্য ৰৰাহমিহিৰৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল আদিত্যদাস। জন্মস্থান হ'ল উজ্জয়িনীৰ কপিত্থ নামৰ গাওঁ। দেউতাকে তেওঁক জ্যোতিষবিদ্যাৰ শিক্ষা প্ৰদান কৰে।

তেওঁৰ মাতৃৰ নাম হ'ল সত্যৱতী। ৰজা বিক্রমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ ভিতৰত এগৰাকী অন্যতম ৰত্ন হ'ল বৰাহমিহিৰ। বৰাহমিহিৰে গণিতশাস্ত্র আৰু জ্যোতিষশাস্ত্রক জনহিতকৰ কামত প্রয়োগ কৰিবলৈ অহোপুৰুষার্থ চেষ্টা কৰিছিল। বৰাহমিহিৰৰ কিছুমান উল্লেখযোগ্য গ্রন্থ হ'ল— বৃহৎসংহিতা, বৃহজ্জাতক আৰু পঞ্চসিদ্ধান্তিকা। পঞ্চসিদ্ধান্তিকা পাঁচখন সিদ্ধান্তৰ সমষ্টি। সেইকেইখন হ'ল— সূর্য্য-সিদ্ধান্ত, বশিষ্ঠ-সিদ্ধান্ত, পৌলিশ-সিদ্ধান্ত, ৰোমক-সিদ্ধান্ত আৰু পৈতামহ-সিদ্ধান্ত।

বৰাহমিহিৰৰ পুত্র পৃথুযশাই ফলিত-জ্যোতিষৰ ওপৰত ষট্ পঞ্চাসিকা নামৰ গ্রন্থ ৰচনা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'বাস্তু' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ২ ঃ বৃহৎসংহিতাৰ এগৰাকী টীকাকাৰৰ নাম লিখক।

.....

প্রশ্ন নং ৩ ঃ বৰাহমিহিৰৰ পিতৃৰ নাম লিখক।

.....

প্রশ্ন নং ৪ ঃ বৰাহমিহিৰে ৰচনা কৰা তিনিখন গ্রন্থৰ নাম লিখক।

.....

প্রশ্ন নং ৫ ঃ পৃথুযশা কোন?

.....

৯.৩ বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ ১-২১ শ্লোকৰ সংস্কৃত পাঠ

এই অংশত বাস্তুবিদ্যাধ্যায়ৰ প্রথম একৈশটা (২১) শ্লোকৰ সংস্কৃত পাঠ আগবঢ়োৱা হৈছে।

বাস্তুজ্ঞানমথাত ঃ কমলভৱান্মুনি পৰম্পৰায়াতম্।
ক্রিয়তেহধুনা ময়েদং বিদগ্ধসাংবৎসৰ প্রীত্যৈ।। ১।।
কিমপি কিল ভূতমভৱদ্রুন্ধানং ৰোদসী শৰীৰেণ।
তদমৰগণেন সহসা বিনিগৃহ্যাধোমুখং ন্যস্তম্।। ২।।
যত্র চ যেন গৃহীতং বিবুধেনাধিষ্ঠিত ঃ স তত্রৈৱ।
তদমৰময়ং বিধাত বাস্তুনৰং কল্পয়ামাস।। ৩।।
উত্তমষ্টাভ্যধিকং হস্তশতং নৃপগৃহং পৃথুত্বেন।
অষ্টাষ্টোনান্যেৱং পঞ্চ সপাদানি দৈর্ঘ্যেণ।। ৪।।
ষড়ভি ঃ ষড়ভির্হীনা সেনা পতিসদ্মনাং চতুঃষষ্টিং।

এৱং পঞ্চগৃহাণি ষড়্ভাগসমন্বিতা দৈর্ঘ্যম্।। ৫।।
ষষ্টিশ্চতুশ্চতুর্ভির্হীনা বেশ্মানি পঞ্চ সচিবস্য।
স্বাষ্টাংশযুতো দৈর্ঘ্যং তদর্ধতো ৰাজমহিষীণাম্ ।। ৬।।
ষড়্ভি ঃ ষড়্ভিশ্চৈৱং যুৱৰাজস্যাপৰর্জিতাহশীতি ঃ।
ত্র্যংশান্বিতা চ দৈর্ঘ্যং পঞ্চ তদর্ধৈস্তদনুজানাম্।। ৭।।
নৃপসচিবান্তৰতুল্যং সামন্তপ্রবৰৰাজপুৰুষানাম্।
নৃপযুৱৰাজবিশেষ ঃ কঞ্চুকিবেশ্যাকলাজ্ঞানম্ ।। ৮।।
অধ্যাক্ষাধিকৃতানাং সর্বেষামেৱ কোশৰতিতুন্যম্।
যুৱৰাজমন্ত্রিবিৱৰং কর্মান্তাধ্যক্ষদূতানাম্ ।। ৯।।
চত্বাৰিংশদ্ধীনা চতুশ্চতুর্ভিস্তু পঞ্চ যাৱদিতি।
ষড়্ভাগযুতা দৈর্ঘ্যং দৈৱজ্ঞপুৰোধসোর্ভিষজ ঃ ।। ১০।।
বাস্তনি যো ৱিস্তাৰ ঃ স এৱ চোচ্ছ্রায়নিশ্চয় ঃ শুভদ ঃ ।
শালৈকেষু গৃহেষ্বপি বিস্তাৰাদ্দ্বিগুণিতং দৈর্ঘ্যম্ ।। ১১।।
চাতুর্বর্ণ্যব্যাসো দ্বাত্রিংশ্য সা চতুশ্চতুর্হীনা।
আষোড়শাদিতি পৰং ন্যূনতৰমতীৱহীনানাম্।। ১২।।
সদ শাংশং বিপ্রাণাং ক্ষত্রস্যাষ্টাংশসংযুতং দৈর্ঘ্যম্।
ষড়্ভাগযুতং বৈশ্যস্য ভৱতি শূদ্রস্য পাদযুতম্।। ১৩।।
নৃপসেনাপতিগৃহয়োৰন্তৰমানেন কোশৰতিভৱনে।
সেনাপতিচাতুর্বর্ণ্যৱিৱৰতো ৰাজপুৰুষাণাম্ ।। ১৪।।
অথ পাৰশৱাদীনাং স্বমানসংযোগদলসমং ভৱনম্।
হীনাধিকং স্বমানাদশুভংকৰ বাস্তু সর্বেষাম্।। ১৫।।
পশ্বাশ্রমিণামমিতং ধান্যায়ুধৱহ্নিৰতি গৃহানাং চ।
নেচ্ছন্তি শাস্ত্রকাৰা হস্তশতাদুচ্ছ্রিতং পৰত ঃ ।। ১৬।।
সেনাপতিনৃপতীনাং সপ্ততিসহিতে দ্বিধাকৃতে ব্যাসে।
শালা চতুর্দশহৃতে পঞ্চত্রিংশদ্ধৃতেহলিন্দ ঃ ।। ১৭।।
হস্তদ্বাত্রিংশাদিষু চতুশ্চতুস্ত্রিত্রিকা ঃ শালা ঃ ।
সপ্তদশত্রিতয়তিথিত্রয়োদশকৃতাঙ্গুলাভ্যধিকাঃ ।। ১৮।।
ত্রিত্রিদ্বিদ্বিদ্বিসমা ঃ ক্ষয়ক্রমাদঙ্গুলানি চৈতেষাম্।
ৱ্যেকা ৱিংশতিৰষ্টৌ ৱিংশতিৰষ্টাদশ ত্রিতয়ম্ ।। ১৯।।
শানাত্রিভাগতুল্যা কর্তব্যা ৱীথিকা বহির্ভৱনাৎ।
যদ্যগ্রতো ভৱতি সা সোষ্ণীষং নাম তদ্বাস্তু ।। ২০।।
সায়াশ্রয়মিতি পশ্চাৎ সাৱষ্টম্ভং তু পার্শ্বসংস্থিতয়া।
সুস্থিতমিতি চ সমান্তচ্ছাস্ত্রজ্ঞৈ ঃ পূজিতা ঃ সর্ৱা ঃ ।। ২১।।

৯.৩.১ বৃহৎসংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ প্ৰথম একৈশটা শ্লোকৰ গদ্যৰূপ

অথাতঃ কমলভৱাৎ মুনিপৰম্পৰায়াতং ইদং ৱাস্তুজ্ঞানং ময়া অধুনা ৱিদগ্ধসাংৱৎসৰপ্ৰীত্যৈ ক্ৰিয়তে।। ১।।

শৰীৰেণ ৰোদসী ৰুন্ধানং কিল কিম্ অপি ভূতম্ অভৱৎ, তৎ অমৰগণেন সহসা ৱিনি গৃহ্য অধোমুখং ন্যস্তম্।। ২।।

যত্ৰ চ যেন ৱিবুধেন গৃহীতং স তত্ৰ এৱ অধিষ্ঠিত ঃ। তৎ ৱিধাতা অমৰময়ং ৱাস্তুনৰং কল্পয়ামাস।। ৩।।

নৃপগৃহং পঞ্চ পৃথুত্ৱেন অষ্টাভি অধিকং হস্তশতং উত্তমম্, অষ্ট অষ্ট ঊনানি এৱম্, দৈৰ্ঘ্যেণ সপাদানি।। ৪।।

সেনাপতিসমনাং চতুংষষ্টিঃ, (অপৰাণি চত্ৱাৰি গৃহানি) ষড়্ভিঃ ষড়্ভিঃ হীনা। পঞ্চগৃহানি দৈৰ্ঘ্যম্ এৱং ষড়্ভাগসমন্ৱিতা।। ৫।।

সচিৱস্য পঞ্চ ৱেশ্মানি ষষ্টিঃ চতুঃ চতুৰ্ভিঃ হীনা, দৈৰ্ঘ্যং স্ব অষ্টাংশযুতঃ, তৎ অৰ্ধতম ৱাজমহিনী ণাম্।। ৬।।

যুৱৰাজস্য অপৱৰ্জিত অশীতি ঃ, এৱং ষড়ভিঃ ষড়ভিং চ, পঞ্চ (গৃহাণাং) দৈৰ্ঘ্যং চ ত্ৰয় অংশ অন্ৱিতা, তৎ অৰ্ধৈঃ তৎ অনুজানাম্ ।। ৭।।

সামন্তপ্ৰৱৰৱাজপুৰুষাণাং নৃপসচিৱ অন্তৰতুল্যম্, কঞ্চুকিবেশ্যাকলাজ্ঞানাং নৃপযুৱৱাজবিশেষঃ ।। ৮।।

সৰ্ৱেষাম অধ্যক্ষ অধিকৃতানাং এৱ কোশৰতিতুল্যম্, কৰ্মান্ত অধ্যক্ষদূতানাং যুৱৰাজমন্ত্ৰিৱিৱৰম্।। ৯।।

দৈৱজ্ঞপুৰোধসঃ ভিষজঃ পঞ্চ (গৃহাণাং ৱিস্তাৰঃ) চত্ৱাৰিংশৎ হীনা চতুঃচতুৰ্ভিঃ যাৱদ্ ইতি। দৈৰ্ঘ্যং তু ষড়্ভাগযুতা।। ১০।।

ৱাস্তুনি যঃ ৱিস্তাৰঃ স এৱ চ উচ্ছ্ৰায় শুভদঃ নিশ্চয়ঃ, শালা একেষু গৃহেষু অপি দৈৰ্ঘ্যং ৱিস্তাৰাৎ দ্ৱিগুণিতম্ ।। ১১।।

চাতুৰ্ৱৰ্ণ্য ব্যাস ঃ দ্ৱাত্ৰিংশৎ, সা চতুঃ চতুঃ হীনা, অতীৱ হীনানাং অষোড়শাৎ ন্যূনতৰং পৱম্ ইতি।। ১২।।

ৱিপ্ৰাণাং সদশাংশং, ক্ষত্ৰস্য অষ্টাংশসংযুতং, ৱৈশ্যস্য ষড়্ভাগযুতং, শূদ্ৰস্য পাদযুতং (গৃহাণাং) দৈৰ্ঘ্যং ভৱতি।। ১৩।।

কোশৰতিভৱৱে নৃপসেনাপতিগৃহয়োঃ অন্তৰমানেন, ৱাজপুৰুষাণাং সেনাপতিচাতুৰ্ৱৰ্ণ্যৱিৱৰতঃ (ভৱতি)।। ১৪।।

অথ পাৱশৱ আদীনাং ভৱনং স্ৱমানসংযোগদলসমম্, স্ৱমানাৎ হীন অধিকং ৱাস্তু সৰ্ৱেষাম্ অশুভকৰম্।। ১৫।।

পশু-আশ্ৰমিণাং ধান্য-আয়ুধ-বহ্নি-ৱতিগৃহাণাং চ অমিতম্, শাস্ত্ৰকাৱা হস্তশতাৎ

পৰতঃ উচ্ছ্রিতং ন ইচ্ছন্তি।। ১৬।।

সেনাপতিনৃপতীনাং (গৃহাণাং) ব্যাসে সপ্ততিসহিতে দ্বিধাকৃতে চতুর্দশহৃতে শালা, পঞ্চত্রিংশৎ ধৃতে অলিন্দ ঃ ।। ১৭।।

হস্তদ্বাত্রিংশাদিষু চতুঃ -চতুঃ -ত্রি-ত্রিক-ত্রিকাঃ সপ্তদশ-ত্রিতয়-তিথি-ত্রয়োদশ-কৃতাঙ্গুল-অভ্যধিকাঃ শালাঃ (ভৱতি)।। ১৮।।

এতেষাং (চাতুর্বর্ণ্য) ক্ষয় ক্রমাৎ ত্রি-ত্রি-দ্বি-দ্বি-দ্বিসমাঃ চ ব্যেকা ৱিংশতিঃ-অষ্টৌ-বিংশতিঃ - অষ্টাদশ -ত্রিতয়ম্ অঙ্গুলানি ভৱতি।। ১৯।।

ভৱনাৎ বহিঃ শালাত্রিভাগতুল্যা ৱীথিকা কর্তব্যা, যদি সা (ৱীথিকা) অগ্রতঃ ভৱতি তদ্ ৱাস্তু নাম সোঞ্চীষম্, পশ্চাৎ সায়াশ্রয়ম্ ইতি, পার্শ্বসংস্থিতয়া তু সাৱষ্টম্ভম্, সমন্তাৎ চ সুস্থিতম্ ইতি, সর্ৱাঃ শাস্ত্রজ্ঞৈঃ পূজিতাঃ ।। ২০,২১।।

৯.৩.২ শ্লোকসমূহৰ শব্দার্থ

এই অংশত আপুনি ওপৰত উল্লেখ কৰা শ্লোকসমূহৰ শব্দার্থ জানিব পাৰিব—

১ নং শ্লোক - অথাত ঃ (ইয়াৰ পিছত) কমলভৱাৎ (ব্রহ্মাৰ পৰা) মুনিপৰম্পৰায়াতং (ঋষি-মুনি সকলে পৰম্পৰাগতভাৱে লাভ কৰা) ইদং ৱাস্তুজ্ঞানং (এই ৱাস্তুবিদ্যা) ময়া অধুনা (মোৰ দ্বাৰা এতিয়া) ৱিদগ্ধসাংৱৎসৰ প্রীত্যে (বিদ্বান দৈৱজ্ঞসকলৰ প্রসন্নতাৰ বাবে) ক্রিয়তে [(ব্যখ্যা) কৰা হওক]।

২ নং শ্লোক - শৰীৱেণ (শৰীৱেৰে) ৰোদসী (পৃথিৱী আৰু আকাশ) ৰুদ্ধানং কিল (ব্যাপ্ত কৰি ৰখা) কিম্ অপি ভূতম্ অভৱৎ (কোনোৱা এটা প্রাণী উৎপন্ন হৈছিল), তৎ অমৰগণেন (তেতিয়া দেৱতাসকলৰ দ্বাৰা) সহসা (হঠাতে) ৱিনিগৃহ্য (ধৰি লৈ) অধোমুখং ন্যস্তম্ (তললৈ মুখ কৰাই নিক্ষেপ কৰিলে)।

৩ নং শ্লোক - যত্র চ [(আৰু য'ত)]— (যি অঙ্গত) যেন ৱিবুধেন (যিগৰাকী দেৱতাই) গৃহীতং (ধৰিছিল) স তত্র এৱ অধিষ্ঠিত ঃ (তেওঁ সেই অংগৰ অধিষ্ঠিত দেৱতা হিচাবে মানি লোৱা হৈছিল)। তৎ ৱিধাতা (তেতিয়া বিধাতাই) অমৰময়ং (দেৱময় পুৰুষক) ৱাস্তুনৰং (ৱাস্তুপুৰুষ হিচাবে) কল্পয়ামাস (স্থাপিত কৰিলে)।

৪ নং শ্লোক - নৃপগৃহং (ৰজাৰ ঘৰ) পঞ্চ (পাঁচ প্রকাৰৰ) **পৃথুত্বেন** [(প্রথম গৃহৰ) বিস্তাৰ বা বহল] অষ্টাভি অধিকং হস্তশতং (এশ আঠ হাত) অষ্ট অষ্ট ঊনানি এৱম্ [(বাকী চাৰিটা গৃহৰ বিস্তাৰ ক্রমে) আঠ হাতকৈ কমিব] দৈর্ঘ্যেণ সপাদালি [(ঘৰৰ বিস্তাৰৰ) এক চতুর্থাংশ ঘৰৰ বিস্তাৰৰ লগত যোগ কৰি ক্রমে দৈর্ঘ্য নির্ণয় কৰা হয়]



পৃথুত্ব— পৃথোঃভাৱঃ
= পৃথু
পৃথু +ত্ব = পৃথুত্ব

৫ নং শ্লোক - সেনাপতিসমনাং [সেনাপতিৰ (পাঁচটা) ঘৰৰ] চতুঃষষ্টি [(উত্তম গৃহৰ বিস্তাৰ) চৌষষ্ঠি হাত] ষড়্ভিঃ হীনা [বাকী চাৰিটা গৃহৰ বিস্তাৰ ক্রমে) ছয় হাত ছয় হাতকৈ কমিব] পঞ্চগৃহানি দৈর্ঘ্যম্ (পাঁচটা ঘৰৰ দৈর্ঘ্য) এৱং (এনেদৰে) ষড়্ভাগসমন্বিতা [(বিস্তাৰৰ) ছয় ভাগ যোগ কৰিব লাগিব।]

৬ নং শ্লোক - সচিৱস্য (মন্ত্রীৰ) পঞ্চ ৱেশ্মানি (পাঁচপ্রকাৰৰ ঘৰ) যষ্টিঃ [(উত্তম গৃহৰ বিস্তাৰ) ষাঠি হাত] চতুঃ চতুর্ভিঃ হীন [(বাকী চাৰিটা গৃহৰ বিস্তাৰ) চাৰিহাত চাৰিহাতকৈ কমিব] দৈর্ঘ্যং (ঘৰৰ দৈর্ঘ্য) স্ব অষ্টাংশযুতঃ [(বিস্তাৰৰ)] আঠ ভাগৰ এভাগ যোগ কৰিব লাগিব]। তৎ অর্ধতঃ (তাৰ আধা) ৰাজমহিষীনাম্ (ৰাজমহিষীসকলৰ)

৭ নং শ্লোক - যুৱৰাজস্য (যুৱৰাজৰ) অপৱর্জিতা অশীতি ঃ [(উত্তম ঘৰৰ ব্যাস) আশী হাত] এৱং ষড়্ভিঃ ষড়্ভিঃ চ[বাকী চাৰিটা ঘৰ ব্যাস ক্রমে) ছয় হত ছয় হাতকৈ এনেদৰে কম হ'ব] পঞ্চ দৈর্ঘ্যং চ (পাঁচটা ঘৰৰ দৈর্ঘ্য) ত্রয় অংশ অন্বিতা [(বিস্তাৰৰ) তিনি ভাগৰ এভাগকৈ যোগ কৰিলে হ'ব], তৎ অৰ্ধেঃ (তাৰ আধা) তৎ অনুজানাম্ (তেওঁৰ অর্থাৎ যুৱৰাজৰ অনুজসকলৰ ঘৰৰ জোখ)

৮ নং শ্লোক - সামন্তপ্রৱৰৰাজপুৰুষাণাং (সামন্ত আৰু জ্যেষ্ঠ ৰাজপুৰুষসকলৰ) নৃপসচিৱ অন্তৰতুন্যম্ [ৰজা আৰু মন্ত্রীৰ ঘৰৰ পার্থক্যৰ সমান অর্থাৎ ৰজাৰ ঘৰৰ বিস্তাৰৰ পৰা মন্ত্রীৰ ঘৰৰ বিস্তাৰ বিয়োগ কৰিলে সামন্ত আদিৰ ঘৰৰ বিস্তাৰ হ'ব। তেনেদৰে দৈর্ঘ্যও হ'ব] কঞ্চুকিবেশ্যা-কলাজ্ঞানাং (কঞ্চুকি, বেশ্যা আৰু কলাকাৰৰ) নৃপযুৱৰাজবিশেষঃ (ৰজা আৰু যুৱৰাজৰ ঘৰৰ জোখৰ পার্থক্য)।

৯ নং শ্লোক - সর্ৱেষাম্ (সকলো) অধ্যক্ষ-অধিকৃতানাং [অধ্যক্ষ আৰু অধিকাৰী অথবা বিষয়াসকলৰ (ঘৰ)] এৱ কোশৰতিকুল্যম্ (কোষাগাৰ আৰু ৰতিগৃহৰ দৰেই অর্থাৎ কোষাগাৰ আৰু ৰতিগৃহৰ জোখৰ সমান), কর্মান্ত-অধ্যক্ষদূতানাং (কাৰখানাৰ অধ্যক্ষ আৰু ৰাজদূতসকলৰ (ঘৰৰ জোখ)] যুৱৰাজমন্ত্রিৱিৱৰম (যুৱৰাজৰ ঘৰৰ জোখ আৰু মন্ত্রীৰ ঘৰৰ জোখৰ পার্থক্য)।

১০ নং শ্লোক - দৈৱজ্ঞ-পুৰোধস্-ভিষজঃ (ৰাজদৈৱজ্ঞ, ৰাজপুৰোহিত আৰু ৰাজবৈদ্যৰ) পঞ্চ (পাঁচ প্রকাৰৰ) (ঘৰৰ বিস্তাৰ) চত্বাৰিংশৎ [(উত্তম গৃহৰ) চল্লিশ হাত] হীনা চতুঃচতুর্ভিঃ যাৱৎ ইতি [(বাকী চাৰিটা ঘৰৰ বিস্তাৰ) চাৰিহাত চাৰিহাতকৈ কমিব], দৈর্ঘ্যং তু ষড়্ভাগযুতা [(পাঁচটা গৃহৰ) দৈর্ঘ্য বিস্তাৰৰ ছয় ভাগৰ এক অংশ বিস্তাৰৰ লগত

যোগ কৰিব লাগিব।]

১১ নং শ্লোক - বাস্তুনি যঃ ৱিস্তাৰ ঃ (বাসস্থান অথবা ঘৰৰ যিমান প্ৰস্থ) স এৱ চ উচ্ছ্ৰায় (সিমানেই উচ্চতা) শুভদঃ নিশ্চয়ঃ (নিশ্চিতভাৱে শুভফলদায়ক), শালা (কোঠালী) একেষুগৃহেষু (এটা থকা ঘৰবোৰৰ) অপি দৈর্ঘ্যং (দীঘলো) বিস্তাৰাৎ দ্বিগুনিতম্ (প্ৰস্থৰ দুগুণ)।

১২ নং শ্লোক আৰু ১৩ নং শ্লোক - চাতুর্বর্ণ্য (চাৰি বর্ণ অর্থাৎ ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র) ব্যাস ঃ (ঘৰৰ বিস্তাৰ) দ্বাত্রিংশ্য [উত্তম গৃহৰ বিস্তাৰ) বত্রিশ হাত], সা চতুঃ চতুঃ হীনা [(বাকী চাৰিটা ঘৰৰ ব্যাস) চাৰিহাত চাৰিহাতকৈ কমিব], অতীৱ হীনানাম্ (অতি হীনসকল অর্থাৎ চণ্ডাল আদিৰ) আষোড়শাৎ ন্যূনতৱং (ষোল্লহাততকৈ কম নোহোৱাটো) পৰম্ ইতি (শ্ৰেয় হয়)। বিপ্রাণাং (ব্রাহ্মণ সকলৰ) সদশাংশং (বিস্তাৰৰ) দহ ভাগৰ এক অংশ), ক্ষত্রস্য (ক্ষত্রিয়ৰ) অষ্টাংশসংযুতং (আঠ ভাগৰ এক অংশ যোগ কৰি), ৱৈশ্যস্য (বৈশ্যৰ) ষড়্ভাগযুতং (ছয় ভাগৰ এক অংশ যোগ কৰি), শূদ্রস্য (শূদ্রৰ) পাদযুতং (চাৰি ভাগৰ এভাগ যোগ কৰি) দৈর্ঘ্যং (ঘৰৰ দৈর্ঘ্য অর্থাৎ বিস্তাৰৰ লগত সেই সেই অংশসমূহ যোগ কৰি] ভৱতি (হয়)।

১৪ নং শ্লোক - কোশৱতিভৱনে (কোষাগাৰ আৰু ৱতিগৃহৰ) নৃপসেনাপতিগৃহয়োঃ অন্তৱমানেন [ৰজা আৰু সেনাপতিৰ ঘৰৰ পার্থক্যৰ সমান (জোখ হ'ব)], ৱাজপুৰুষাণাং (ৱাজপুৰুষসকলৰ) সেনাপতিচাতুর্ৱর্ণ্যৱিৱৱতঃ (সেনাপতি আৰু চাতুর্বর্ণ্যৰ ঘৰৰ জোখৰ পার্থক্য অর্থাৎ ৱাজপুৰুষ সকলৰ ঘৰ এনেকুৱা জোখৰ হ'ব)



দল — আধা

১৫ নং শ্লোক - অথ পাৱশৱ আদীনাং (ইয়াৰ পিছত পাৱশৱ আদিৰ) ভৱনং (ঘৰ) স্ৱমানসং যোগ**দল**সমং (তেওঁলোকৰ পিতৃসকলৰ ঘৰৰ যোগফলৰ আধা হ'ব), স্ৱমানাৎ হীন-অধিকং (এই মানতকৈ কম বা বেছি হ'লে) বাস্তু (ঘৰ) সর্ৱেষাম অশুভকৱম্ (সকলোৰে বাবে অশুভজনক)

১৬ নং শ্লোক - পশু-আশ্রমিণাং ধান্য-আয়ুধ-বহ্নি-ৱতিগৃাণাং চ (পশুগৃহ, সন্যাসীগৃহ, ভড়ালঘৰ, অস্ত্রাগাৰ, যজ্ঞশালা, আৰু ৱতিগৃহৰ) অমিতং (দীঘ-প্রস্থ) কোনো নির্দিষ্ট জোখ নাই, শাস্ত্রকাৰা (শাস্ত্রজ্ঞ ব্যক্তিসকলে) হস্তশতাৎ পৱতঃ [(উক্ত ঘৱবোৰৰ) এশ হাততকৈ বেছি] উচ্ছ্রিতং ন ইচ্ছন্তি (উচ্চতা হোৱাতো সমর্থন নকৰে)।

১৭ নং শ্লোক - সেনাপতিনৃপতীনাং [সেনাপতি আৰু ৱজাৰ (ঘৰৰ কোঠালী আৰু বাৰান্দাৰ জোখ উলিয়াবৰ বাবে)] ৱ্যাসে (বিস্তাৰৰ লগত) সপ্ততিসহিতে (সত্তৰ যোগ কৰি) দ্বিধাকৃতে (দুভাগ কৰি ৱাখি)

চতুর্দশ-সহিতে শালা (চৈধ্যৰে হৰণ কৰিলে কোঠালী), পঞ্চত্রিংশৎ ধৃতে অনিন্দ ঃ (পয়ত্রিশেৰে হৰণ কৰিলে বাৰান্দাৰ জোখ পোৱা যায়)। [বিঃদ্রঃ ৰজাৰ উত্তম গৃহৰ ব্যাস = ১০৮ হাত। ∴ (১০৮ + ৭০) ÷ ১৪ = ১২$^{৫}/_{৭}$ হ'ল কোঠালীৰ জোখ। আকৌ (১০৮ + ৭০) ÷ ৩৫ = ৫$^{৩}/_{৫}$ হ'ল বাৰান্দাৰ জোখ। তেনেদৰে সেনাপতিৰো উলিয়াব পাৰি]

১৮ নং শ্লোক - হস্তদ্বাত্রিংশাদিষু [(ব্রাহ্মণ আদি চাতুর্বর্ণ্যৰ ঘৰৰ) বত্রিশ হাত তথা ক্রমানুসৰি বাকীবোৰ গৃহৰ] চতুঃ - চতুঃ -ত্রি-ত্রিক-ত্রিকাঃ (চাৰিহাত-চাৰিহাত-তিনি হাত-তিনি হাত - তিনিহাত) সপ্তদশ-ত্রিত্রয় - তিথি ত্রয়োদশ-কৃতাঙ্গুল (ক্রমে সোতৰ - তিনি -পোন্ধৰ-তেৰ-চাৰি আঙুলি) অভ্যধিকাঃ (বেছি নহয়) শালা (কোঠালী)।

১৯ নং শ্লোক - এতেষাং (এওঁলোকৰ অর্থাৎ চাতুর্বণ্যৰ) ক্ষয় (ঘৰৰ [বাৰান্দা]) ক্রমাৎ (ক্রমে) ত্রি-ত্রি-দ্বি-দ্বি-দ্বি সমাঃ [তিনি-তিনি-দুই-দুই-দুই (হাতৰ সমান)] চ (আৰু) ব্যেকা বিংশতিঃ— অষ্টৌ-বিংশতিঃ— অষ্টাদশ-ত্রিতয়ম (ঊনৈশ-আঠ-বিশ-ওঠৰ-তিনি) অঙ্গুলানি ভৱতি (আঙুলি হয়)।



কৃত- ৪ সংখ্যা, পাশাৰ চাৰিটা বিন্দু থকা ফাল।

বিঃ দ্রঃ— ব্রাহ্মণৰ কোঠালি জোখ— চাৰি হাত সোতৰ আঙুলি
ব্রাহ্মণৰ বাৰান্দাৰ জোখ— তিনি হাত ঊনৈশ আঙুলি
আকৌ ক্ষত্রিয়ৰ কোঠাৰ জোখ— চাৰি হাত তিনি আঙুলি
ক্ষত্রিয়ৰ বাৰান্দাৰ জোখ— তিনি হাত আঠ আঙুলি।
এয়া উত্তম গৃহৰ কোঠা আৰু বাৰান্দাৰ জোখ। তেনেদৰে বৈশ্য আৰু শূদ্রৰ কোঠা আৰু বাৰান্দাৰ জোখ পোৱা যায়।

২০ নং ২১ নং শ্লোক - ভৱনাৎ বহিঃ (ঘৰৰ বাহিৰত) শালাত্রিভাগতুল্যা (কোঠাৰ তিনিভাগৰ এভাগৰ সমান) ৰীথিকা কর্তব্যা (বীথিকা অর্থাৎ পদপথ বনোৱাটো উচিত), যদি সা (যদি সেই বীথিকা) অগ্রতঃ ভৱতি [(ঘৰৰ) সন্মুখত সজোৱা হয়] তদ্ বাস্তু নাম সোষ্ণীষম্ (সেই বাস্তুক সোষ্ণীষ বুলি কোৱা হয়), পশ্চাৎ সায়াশ্রয়ম্ (পিছফালে হ'লে সায়াশ্রয়), পার্শ্বসংস্থিতয়া তু সাৱষ্টম্ভম্ (দুয়োফালে থাকিলে সাৱষ্টম্ভ), সমন্তাৎ চ সুস্থিতম্ (আৰু চাৰিওফালে থাকিলে সুস্থিত বুলি কোৱা হয়), সর্বা ঃ (এই সকলোবোৰ) শাস্ত্রজ্ঞৈ ঃ (শাস্ত্রজ্ঞসকলৰদ্বাৰা) পূজিতাঃ (প্রশংসিত)।



জানি থোৱা ভাল

(ক) বৃহৎসংহিতা গ্ৰন্থৰ ৱাস্তুবিদ্যাধ্যায়ত ৰজা, সেনাপতি, সচিব, ৰাজকুমাৰ, ৰাজমহিষী আদিৰ ঘৰৰ জোখ-মাখ বৰ্ণনা কৰাৰ লগতে এখন ৰাজ্যত বাস কৰা বিভিন্ন ব্যক্তিৰ ঘৰৰ জোখ-মাখ বৰ্ণনা কৰা হৈছে। ৰজাকে আদি কৰি প্ৰত্যেক ব্যক্তিৰে পাঁচটাকৈ ঘৰৰ বৰ্ণনা কৰা হৈছে। প্ৰথম ঘৰটো উত্তম ঘৰ হিচাবে অভিহিত কৰা হৈছে। ৪ নং শ্লোকত ৰজাৰ পাঁচটা ঘৰৰ বিস্তাৰ আৰু দৈৰ্ঘ্যৰ বৰ্ণনা দিয়া হৈছে। উত্তম ঘৰৰ বিস্তাৰ ১০৮ হাত। তাৰ পিছক চাৰিটা ঘৰৰ বিস্তাৰ ক্ৰমে আঠ হাত আঠ হাতকৈ কমিব অৰ্থাৎ ৰজাৰ পাঁচটা গৃহৰ বিস্তাৰ হ'ব ক্ৰমে — ১০৮, ১০০, ৯২, ৮৪ আৰু ৭৬ হাত। এই গৃহৰ দৈৰ্ঘ্য উলিয়াবলৈ বিস্তাৰক ৪ ৰে হৰণ কৰি যি ভাগফল পোৱা যাব সেই ভাগফল বিস্তাৰৰ লগত যোগ কৰিব লাগিব। উদাহৰণস্বৰূপে — উত্তম গৃহৰ বিস্তাৰ = ১০৮

দৈৰ্ঘ্য হ'ব = ১০৮ ÷ ৪

= ২৭ হাত

এই ২৭ হাত বিস্তাৰৰ লগত যোগ দিলে দৈৰ্ঘ্য হ'ব ১০৮ + ২৭ = ১৩৫ হাত। তেনেদৰে দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম ঘৰৰ বিস্তাৰক ৪ ৰে হৰণ কৰিলে যি ভাগফল হ'ব সেই ভাগফল বিস্তাৰৰ লগত যোগ কৰিলে প্ৰত্যেক ঘৰৰে দৈৰ্ঘ্য উলিয়াব পৰা যাব।

সেনাপতি, মন্ত্ৰী, যুৱৰাজ আদি বিভিন্ন ব্যক্তিৰ ঘৰৰ দৈৰ্ঘ্য উলিয়াওতে কেতিয়াবা কেতিয়াবা (বিস্তাৰক হৰণ কৰিলে) ভগ্নাংশ বা আঙুলিত দৈৰ্ঘ্য ওলায়। উদাহৰণস্বৰূপে সেনাপতিৰ উত্তম গৃহৰ বিস্তাৰ — ৬৪ হাত। দৈৰ্ঘ্য হ'ব = ৬৪ ÷ ৬ = ১০ $^{২}/_{৩}$

৬৪ + ১০$^{২}/_{৩}$ = ৭৪$^{২}/_{৩}$ হাত।

সেই সময়ৰ গণনাৰ নিয়মমতে ২৪আঙুলি = ১ হাত।

এতেকে $^{২}/_{৩}$ × ২৪ = ১৬ আঙুলি।

গতিকে সেনাপতিৰ উত্তম গৃহৰ দৈৰ্ঘ্য ৭৪$^{২}/_{৩}$ হাত অথবা ৭৪ হাত ১৬ আঙুলি।

(খ) ৬ নং আৰু ৭ নং শ্লোকত ক্ৰমে ৰাজমহিষী আৰু অনুজসকলৰ ঘৰৰ বিস্তাৰ আৰু দৈৰ্ঘ্য মন্ত্ৰ আৰু যুৱৰাজৰ ঘৰৰ 'আধা' বুলি উল্লেখ কৰা হৈছে। এইক্ষেত্ৰত প্ৰত্যেক ঘৰৰে অৰ্থাৎ উত্তম গৃহৰ বিস্তাৰৰ আধা বিস্তাৰ আৰু দৈৰ্ঘ্যৰ আধা দৈৰ্ঘ্য হ'ব।

(গ) বাস্তুবিদ্যাধ্যায়ত ৰজাকে আদি কৰি বেছিভাগ ৰাজকৰ্মচাৰী অথবা বাসিন্দাসকলৰ পাঁচোটাকৈ ঘৰৰ জোখ-মাখ দিয় আছে যদিও ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ বাবে ক্ৰমে চাৰিটা, তিনিটা আৰু দুটাকৈ ঘৰৰ জোখ দিয়া আছে।

(ঘ) ১৪ নং শ্লোকত ৰজাৰ বিষয়া অথবা ৰাজপুৰুষসকলৰ ঘৰৰ জোখমাখৰ বৰ্ণনা

দিয়া হৈছে। সেনাপতিৰ ঘৰৰ বিস্তাৰ তথা দৈর্ঘ্যৰ পৰা চাতুর্বণ্যৰ ঘৰৰ বিস্তাৰ দৈর্ঘ্যৰ যি অন্তৰমান সেয়াই হ'ব ৰাজপুৰুষসকলৰ ঘৰৰ বিস্তাৰ আৰু দৈর্ঘ্য। চাতুর্বর্ণ- ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র। সেনাপতি আৰু ব্রাহ্মণ ঘৰৰ পার্থক্য হ'ব ব্রাহ্মণ ৰাজপুৰুষৰ ঘৰৰ জোখ, সেনাপতি আৰু ক্ষত্রিয়ৰ ঘৰৰ পার্থক্য হ'ল ক্ষত্রিয় ৰাজপুৰুষৰ, সেনাপতি আৰু বৈশ্যৰ ঘৰৰ পার্থক্য হ'ল বৈশ্য ৰাজপুৰুষৰ আৰু সেনাপতি আৰু শূদ্রৰ ঘৰৰ পার্থক্য হ'ল শূদ্র ৰাজপুৰুষৰ।

(ঙ) পাৰশৰাদীনাম্ (১৫ নং শ্লোক) — অর্থাৎ পাৰশৰ, ভূর্জকণ্টক আৰু মূর্ধাৱসিক্তৰ কথা কোৱা হৈছে। পাৰশৰ হ'ল ব্রাহ্মণ পিতৃ আৰু শূদ্র মাতৃৰ সন্তান, ভূর্জকণ্টকৰ পিতৃ ব্রাহ্মণ আৰু মাতৃ বৈশ্য, মূর্ধাৱসিক্ত হ'ল ব্রাহ্মণ পিতৃ আৰু ক্ষত্রিয় মাতৃৰ সন্তান। পাৰশৰ আদিৰ ঘৰ পিতৃ আৰু মাতৃৰ ঘৰৰ মানৰ যোগফলৰ আধা হ'ব লাগে। দৈর্ঘ্য আৰু বিস্তাৰ উলিওৱাৰ নিয়ম একে।

৯.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১ নং শ্লোক - ইয়াৰ পিছত মই ব্রহ্মাৰ পৰা পৰম্পৰাগতভাৱে ঋষি-মুনিসকলে লাভ কৰা এই বাস্তুবিদ্যা বিদ্বান দৈৱজ্ঞসকলৰ প্রসন্নতাৰ বাবে মই এতিয়া ব্যাখ্যা কৰিম।

২ নং শ্লোক - (প্রাচীন কালত) নিজৰ শৰীৰেৰে পৃথিৱী আৰু আকাশ ব্যাপ্ত কৰি ৰখা কোনো এটা প্রাণী উৎপন্ন হৈছিল। তেতিয়া দেৱতাসকলে হঠাতে (সেই প্রাণীক) ধৰি লৈ তললৈ মুখ কৰি (পৃথিৱীত) নিক্ষেপ কৰিলে।

৩ নং শ্লোক - (সেই সময়ত) যি গৰাকী দেৱতাই (সেই প্রাণীৰ) যি অংগত ধৰিছিল, তেওঁ (সেইগৰাকী দেৱতাই) সেই অংগৰ অধিষ্ঠাতা হৈছিল। তেতিয়া ব্রহ্মাই সেই দেৱময় পুৰুষক বাস্তুপুৰুষ হিচাপে স্থাপিত কৰিলে।

৪ নং শ্লোক - ৰজাৰ পাঁচটা ঘৰৰ ভিতৰত উত্তম গৃহৰ বিস্তাৰ হ'ল এশ আঠ হাত, (বাকী চাৰিটা গৃহৰ বিস্তাৰ ক্রমে) আঠ হাত আঠ হাতকৈ কমিব, (বিস্তাৰৰ) এক চতুর্থাংশ বিস্তাৰৰ লগত যোগ দিলে ঘৰৰ দৈর্ঘ্য হ'ব।

৫ নং শ্লোক - সেনাপতিৰ পাঁচটা ঘৰৰ ভিতৰত প্রথম গৃহৰ বিস্তাৰ হ'ল চৌষষ্ঠি হাত, (বাকী চাৰিটা ঘৰৰ বিস্তাৰ ক্রমে) ছয়হাত ছয়হাততকৈ কমিব, (বিস্তাৰৰ) ছয় ভাগৰ এক অংশ বিস্তাৰৰ লগত যোগ দিলে দৈর্ঘ্য নির্ণয় হ'ব।

৬ নং শ্লোক - মন্ত্রীৰ পাঁচ প্রকাৰৰ ঘৰৰ ভিতৰত (উত্তম গৃহৰ বিস্তাৰ হ'ল) ষাঠি হাত, (বাকী চাৰিটা ঘৰৰ বিস্তাৰ চাৰিহাত চাৰিহাতকৈ কমিব, ঘৰৰ

দৈর্ঘ্য বিস্তাৰৰ আঠ ভাগৰ এক অংশ যোগ কৰিলে (বিস্তাৰৰ লগত) হ'ব। তাৰ আধা অর্থাৎ মন্ত্রীৰ ঘৰৰ জোখৰ আধা ৰাজমহিষীসকলৰ ঘৰৰ জোখ।

৭ নং শ্লোক - যুৱৰাজৰ ঘৰৰ বিস্তাৰ (উত্তম ঘৰৰ) আশী হাত। (বাকী চাৰিটা ঘৰৰ বিস্তাৰ ক্রমে) ছয় হাত ছয়হাততকৈ কমিব, এনেদৰে পাঁচটা ঘৰৰ দৈর্ঘ্য উলিয়াবলৈ (বিস্তাৰৰ তিনি ভাগৰ এক অংশ (বিস্তাৰৰ লগত) যোগ কৰিব লাগিব। তাৰ আধা অর্থাৎ যুৱৰাজৰ ঘৰৰ জোখৰ আধা হ'ব যুৱৰাজৰ অনুজসকৰ ঘৰৰ জোখ হ'ব।

৮ নং শ্লোক - সামন্ত আৰু প্রধান ৰাজপুৰুষসকলৰ (ঘৰৰ জোখ হ'ল) ৰজা আৰু মন্ত্রীৰ ঘৰৰ জোখৰ পার্থক্যৰ সমান। কঞ্চুকি, বেশ্যা আৰু কলাকাৰৰ ঘৰৰ (দীঘ-প্রস্থ বা জোখ হ'ল) ৰজা আৰু যুৱৰাজৰ ঘৰৰ পার্থক্য।

৯ নং শ্লোক - সকলো অধ্যক্ষ আৰু অধিকাৰীসকলৰ ঘৰ কোষাগাৰ আৰু ৰতিগৃহৰ জোখৰ সমান, কাৰখানাৰ অধ্যক্ষ আৰু ৰাজদূতসকলৰ (ঘৰৰ জোখ) যুৱৰাজ আৰু মন্ত্রীৰ ঘৰৰ জোখৰ পার্থক্যৰ সমান।

১০ নং শ্লোক - ৰাজদৈৱজ্ঞ, ৰাজপুৰোহিত আৰু ৰাজদৈব্যৰ পাঁচ প্রকাৰৰ (ঘৰৰ ভিতৰত) উত্তম ঘৰৰ (বিস্তাৰ) হ'ল চল্লিশ হাত, বাকী চাৰিটা ঘৰৰ বিস্তাৰ ক্রমে চাৰিহাত চাৰিহাতকৈ কমিব, (বিস্তাৰৰ) ছয় ভাগৰ এক অংশ বিস্তাৰৰ লগত যোগ কৰিলে ঘৰৰ দৈর্ঘ্য নির্ণয় হ'ব।

১১ নং শ্লোক - ঘৰৰ যিমান বিস্তাৰ সিমানেই উচ্চতা হ'লে (সেই ঘৰ) নিশ্চিতভাৱে শুভফলদায়ক, এটা কোঠালী থকা ঘৰৰ দৈর্ঘ্য বিস্তাৰৰ দুগুণ হ'ব লাগে।

১২ আৰু ১৩ নং শ্লোক - ব্রাহ্মণ আদি চাৰিবর্ণৰ পাঁচটা ঘৰৰ ভিতৰত (উত্তম গৃহৰ) বিস্তাৰ হ'ল বত্রিশ হাত, বাকী চাৰিটা ঘৰৰ বিস্তাৰ ক্রমে চাৰিহাত চাৰিহাতকৈ কমিব, অতি হীনসকলৰ অর্থাৎ চণ্ডাল আদিৰ ঘৰৰ বিস্তাৰ ষোল্লহাততকৈ কম নোহোৱাটো শ্রেয়। (ব্রাহ্মণ আদিৰ) ঘৰৰ দৈর্ঘ্য উলিয়াবলৈ হ'লে ব্রাহ্মণৰ ঘৰৰ বিস্তাৰৰ দহ ভাগৰ এক অংশ, ক্ষত্রিয়ৰ আঠ ভাগৰ এক অংশ, বৈশ্যৰ ছয় ভাগৰ এক অংশ আৰু শূদ্রৰ চাৰি ভাগৰ এক অংশ ক্রমে বিস্তাৰৰ লগত যোগ কৰিব লাগিব।

১৪ নং শ্লোক - কোষাগাৰ আৰু ৰতিগৃহৰ ঘৰৰ জোখ ৰজা আৰু সেনাপতিৰ ঘৰৰ পার্থক্যৰ সমান, ৰাজপুৰুষসকলৰ ঘৰৰ জোখ সেনাপতি আৰু চাতুর্বর্ণৰ ঘৰৰ জোখৰ পার্থক্যৰ সমান।

১৫ নং শ্লোক - পাৰশৰ আদিৰ ঘৰৰ জোখ তেওঁলোকৰ পিতৃ-মাতৃৰ ঘৰৰ জোখৰ যোগফলৰ আধা হ'ব, এই জোখতকৈ কম বা বেছি হ'লে সেই ঘৰৰ

সকলোৰে বাবে অশুভজনক হ'ব।

১৬ নং শ্লোক - পশুগৃহ, সন্যাসীগৃহ, ভড়ালঘৰ, অস্ত্রাগাৰ, যজ্ঞশালা আৰু ৰতিগৃহৰ দীঘ-প্রস্থৰ কোনো নির্দিষ্ট জোখ নাই, শাস্ত্রজ্ঞ ব্যক্তিসকলে এই ঘৰবোৰৰ এশ হাততকৈ বেছি হোৱাটো সমর্থন নকৰে।

১৭ নং শ্লোক - সেনাপতি আৰু ৰজাৰ ঘৰৰ (প্রত্যেকৰে) বিস্তাৰৰ লগত সত্তৰ যোগ কৰি যোগফল দুটা ভাগত (বেলেগ বেলেগ) থৈ এভাগক চৈধ্যৰে হৰণ কৰি যি ফল পোৱা যাব সেয়া হ'ব কোঠালীৰ জোখ, (আনটো ভাগক) পয়ত্রিশেৰে হৰণ কৰিলে বাৰান্দাৰ জোখ পোৱা যায়।

১৮ নং শ্লোক - (ব্রাহ্মণ আদি চাতুর্বর্ণৰ ঘৰৰ বিস্তাৰ অর্থাৎ বত্রিশ, আঠাইশ, চবিশ, বিশ আৰু ষোল্ল হাত বিস্তাৰ যুক্ত) বত্রিশহাতযুক্ত ঘৰ আদিৰ ক্রমে চাৰিহাত সোতৰ আঙুলি, চাৰিহাত তিনি আঙুলি, তিনিহাত পোন্ধৰ আঙুলি, তিনিহাত তেৰ আঙুলি আৰু তিনিহাত চাৰি আঙুলিতকৈ বেছি নোহোৱা বা সমান জোখৰ কোঠালী হ'ব লাগে।

১৯ নং শ্লোক - এওঁলোকৰ অর্থাৎ চাতুর্বর্ণ্যৰ ঘৰৰ বাৰান্দা ক্রমে তিনিহাত ঊনৈশ আঙুলি, তিনিহাত আঠ আঙুলি, দুইহাত বিশ আঙুলি, দুইহাত ওঠৰ আঙুলি আৰু দুইহাত তিনি আঙুলি জোখৰ বাৰান্দা হ'ব লাগে।

২০ আৰু ২১ নং শ্লোক - ঘৰৰ বাহিৰত কোঠালীৰ তিনিভাগৰ এভাগৰ সমান জোখৰ পদ-পথ বনোৱাটো উচিত, যদি সেই পদ-পথ ঘৰৰ সন্মুখফালে হয়, তেন্তে সেই গৃহ বা বাসস্থানৰ নাম সোষ্ঠীষ বুলি কোৱা হয়, যদি পিছফালে থাকে তেন্তে সায়াশ্রয়, (ঘৰৰ) দুয়োফালে থাকিলে সাৱষ্টম্ভ আৰু চাৰিওফালে থাকিলে সুস্থিতম্ বুলি কোৱা হয়। শাস্ত্রজ্ঞ সকলৰ দ্বাৰা এই সকলোবোৰ প্রশংসিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ 'কমলভৱ' শব্দটোৱে কাক বুজাইছে?

.....

প্রশ্ন নং ৭ ঃ সাংৱৎসৰ শব্দৰ অর্থ কি লিখক।

.....

প্রশ্ন নং ৮ ঃ সেনাপতিৰ উত্তম গৃহৰ বিস্তাৰ কিমান?

.....

প্রশ্ন নং ৯ ঃ যুৱৰাজৰ অনুজসকলৰ ঘৰৰ বিস্তাৰ আৰু দৈর্ঘ্যৰ জোখ কেনেদৰে নির্ণয় কৰা হয়।

.....

প্রশ্ন নং ১০ ঃ বাস্তুশাস্ত্র মতে ঘৰৰ উচ্চতা কিমান হ'ব লাগে?

.....

প্রশ্ন নং ১১ ঃ বাস্তুশাস্ত্র মতে ঘৰৰ অলিন্দৰ জোখ কেনেদৰে নির্ণয় কৰিব লাগে?

.....

প্রশ্ন নং ১২ ঃ 'কৃত' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ১৩ ঃ 'ৱীথিকা' মানে কি?

.....

প্রশ্ন নং ১৪ ঃ 'বীথিকা' কেই প্রকাৰৰ? নামবোৰ লিখক।

.....

প্রশ্ন নং ১৫ ঃ প্রাচীন গণনাশাস্ত্র মতে ১ হাত—— আঙুলিৰ সমান ।
(খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ১৬ ঃ 'পাৰশৱ' শব্দটোৱে কাক বুজায় লিখক।

.....

প্রশ্ন নং ১৭ ঃ পাৰশৱ আদিৰ ঘৰৰ জোখ উলিওৱাৰ নিয়ম কি?

.....

৯.৪ ব্যাখ্যা

ইয়াত বৃহৎসংহিতাৰ ৱাস্তুবিদ্যাধ্যায়ৰ কিছুমান গুৰুত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আগবঢ়োৱা হৈছে।

২ নং শ্লোক - কিমপি কিল ভূতমভবদ্রুন্ধানং ৱোদসী শৰীৱেণ।
তদমৰ গণেন সহসা বিনিগৃহ্যাধোমুখং ন্যস্তম্।।

উদ্ধৃত শ্লোকটো বৰাহমিহিৰ প্রণীত বৃহৎসংহিতাৰ 'বাস্তুবিদ্যাধ্যায়' নামৰ অধ্যায়ৰ অন্তর্গত। বাস্তুপুৰুষৰ জন্মৰ ৰহস্যৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে।

বাস্তুশাস্ত্রৰ মতে সকলোবোৰ শাস্ত্রৰ অন্তৰালত বাস্তুপুৰুষ নামৰ এক অলৌকিক পুৰুষৰ অস্তিত্ব বিদ্যমান। কিন্তু এই বাস্তুপুৰুষ নো কোন, কেনেদৰে সেই বাস্তুপুৰুষৰ জন্ম হ'ল, তাৰ উত্তৰস্বৰূপে ব্যক্ত কৰা হৈছে যে প্রাচীন কালত অতি শক্তিশালী এক পুৰুষৰ জন্ম হৈছিল, যিজনে নিজৰ প্রভাৱেৰে পৃথিৱী আকাশ আচ্ছন্ন কৰি ৰাখিছিল। তেতিয়া দেৱতাসকলে ভীতিগ্রস্ত হৈ সেই পুৰুষক হাতেৰে ধৰি লৈ তললৈ মুখ কৰি পেলাই দিলে। সেই সময়ত যি গৰাকী দেৱতাই সেই অলৌকিক পুৰুষৰ যি অংগত ধৰিছিল, সেই অংগ উক্ত দেৱতাৰ নামেৰে নামকৰণ কৰা হৈছিল। সেই অলৌকিক পুৰুষজনক বিধাতাই বাস্তুপুৰুষ হিচাপে অভিহিত কৰিলে। এই সন্দর্ভত বৃহস্পতিয়ে এনেদৰে কৈছে— তমেৰ ৱাস্তুপুৰুষং ব্রহ্মা সপাদানি দৈর্ঘ্যেণ। বাস্তুপুৰুষৰ জন্মৰ বর্ণনা চতুর্বেদতো পোৱা যায়। ঋগ্বেদত উল্লেখ আছে—

বিশ্বতশ্চক্ষুৰ্দ্ধত বিশ্বতোমুখো বিশ্বতোবাহুৰ্দ্ধত বিশ্বতস্পাৎ।
সং বাহুভ্যাং ধমতি সং পবত্রৈর্দ্যাবাভূমী জনয়ন্দেৱ।।

আনহাতে মৎসপুৰাণত উল্লেখ আছে যে অন্ধকাসুৰক বধ কৰাৰ সময়ত শিৱৰ শৰীৰৰ পৰা নির্গত হোৱা ঘামৰ পৰা বাস্তুপুৰুষৰ উৎপত্তি হৈছিল।

৫ নং শ্লোক - ষড়্ভিঃ ষড়্ভির্হীনা..... দৈর্ঘ্যম্।

সেনাপতিৰ পাঁচোটা গৃহৰ প্রস্থ আৰু দীঘ কিমান কিমান হ'ব তাৰ বর্ণনা উক্ত শ্লোকটোত বর্ণনা কৰা হৈছে। বাস্তুশাস্ত্রৰ নিয়মমতে সেনাপতিৰ পাঁচপ্রকাৰৰ বাসগৃহৰ বিস্তাৰ আৰু দৈর্ঘ্যৰ বর্ণনা হ'ল— সেনাপতিৰ পাঁচোটা গৃহৰ ভিতৰত উত্তম গৃহৰ বিস্তাৰ হ'ল— ৬৪ হাত আৰু বাকী চাৰিটা গৃহৰ বিস্তাৰ ক্রমে ছয় হাত, ছয়হাতকৈ কমি যাব অর্থাৎ বাকী চাৰিটা গৃহৰ বিস্তাৰ হ'ব ক্রমে ৫৮, ৫২, ৪৬ আৰু ৪০ হাত। এই পাঁচোটা ঘৰৰ দৈর্ঘ্য উলিওৱা নিয়ম হ'ল— প্রতিটো ঘৰৰ যি বিস্তাৰ তাৰ ষষ্ঠাংশ সেই সেই ঘৰৰ বিস্তাৰৰ লগত যোগ কৰিব লাগিব। সেই নিয়মমতে উত্তম গৃহৰ দৈর্ঘ্য হ'ব— ৬৪ + ৬৪ × $^{১}/_{৬}$ = ৬৪+$^{৪}/_{৬}$ = ৭৪$^{২}/_{৩}$ হাত অথবা ৭৪ হাত ১৬ আঙুলি। বাকী চাৰিটা ঘৰৰ দৈর্ঘ্য উলিওৱাৰ ক্ষেত্রতো এই নিয়মেই প্রযোজ্য হ'ব। সেই অনুসৰি দৈর্ঘ্য হ'ব ক্রমে — ৬৭ হাত ১৬ আঙুলি, ৬০ হাত ১৬ আঙুলি, ৫৩ হাত ১৬ আঙুলি আৰু ৪৬ হাত ১৬ আঙুলি।

১১ নং শ্লোক - বাস্তুনি যো বিস্তাৰ..... দৈর্ঘ্যম্।

বাস্তুশাস্ত্রৰ নিয়মমতে ঘৰৰ উচ্চতা কিমান হোৱাটো উচিত তাৰ বর্ণনা উক্ত শ্লোকফাকিত বর্ণনা কৰা হৈছে। ঘৰ সাধাৰণতে একোঠালীযুক্ত আৰু এটাতকৈ অধিক কোঠালীযুক্ত কৰি নির্মাণ কৰা হয়। বাস্তুশাস্ত্র মতে এটা মাত্র কোঠালী থকা ঘৰৰ উচ্চতা আৰু এটাতকৈ অধিক কোঠালী থকা ঘৰৰ উচ্চতা বেলেগ হ'ব লাগে। বাস্তুশাস্ত্র নিয়মমতে এটাতকৈ অধিক কোঠালীযুক্ত ঘৰৰ উচ্চতা ঘৰৰ বিস্তাৰৰ সমানকৈ নির্মাণ কৰিলে সেই ঘৰ শুভফলদায়ক হয়। আনহাতে এটা মাত্র কোঠালী যুক্ত ঘৰৰ দৈর্ঘ্য বিস্তাৰৰ দুগুণ হ'ব লাগে বুলি বাস্তুশাস্ত্রত উল্লেখ কৰা আছে। এই সম্পর্কত কাশ্যপে উল্লেখ কৰিছে—

চতুঃশানগৃহেষ্বেৱমুচ্ছ্রায়ো ব্যাস সমন্বিত ঃ।
বিস্তাৰং দ্বিগুণং দৈর্ঘ্যমেকশালযুতস্য চ।।

অর্থাৎ চাৰিকোঠালীযুক্ত ঘৰৰ উচ্চতা বিস্তাৰৰ সমান হ'ব লাগে, এটা কোঠালীযুক্ত ঘৰৰ উচ্চতা বিস্তাৰৰ দুগুণ হ'ব লাগে।

বাস্তুশাস্ত্রত উল্লেখ থকা অনুসৰি ৰজাৰ উত্তম ঘৰৰ বিস্তাৰ হ'ল ১০৮ হাত, গতিকে উচ্চতাও ১০৮ হাত হ'লে সেই ঘৰ শুভফলদায়ক হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৮ ঃ মৎসপুৰাণৰ মতে বাস্তুপুৰুষৰ কেনেদৰে উৎপত্তি হৈছিল?

.....

প্রশ্ন নং ১৯ ঃ বাস্তুশাস্ত্ৰৰ নিয়মমতে একোঠালী থকা ঘৰৰ দৈর্ঘ্য কিমান হ'ব লাগে?

.....

প্রশ্ন নং ২০ ঃ সেনাপতিৰ পাঁচপ্রকাৰৰ গৃহৰ ভিতৰত উত্তম গৃহৰ বিস্তাৰ কিমান?

.....

প্রশ্ন নং ২১ ঃ বাস্তুশাস্ত্ৰ নিয়মমতে ৰজাৰ উত্তম গৃহৰ উচ্চতা কিমান?

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বৃহৎ সংহিতাৰ বাস্তুবিদ্যাধ্যায়ৰ প্রথম একৈশটা শ্লোকৰ সংস্কৃত পাঠ জানিলে।
- শ্লোকসমূহৰ গদ্যৰূপ জানিলে।
- শ্লোকসমূহত থকা শব্দবোৰৰ অসমীয়া শব্দার্থ জানিব পাৰিলে।
- শ্লোকসমূহৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিলে।
- কেইটামান শ্লোকৰ ব্যাখ্যা আৰ্হি হিচাবে লাভ কৰিলে।



৯.৬ অধিক জানিবলৈ

১) *Varahamihira's BRHATSAMHITA* (Vol.1)ed. by M. Ramakrishna Bhat, MLBD, Delhi, 1981.

২) *Brhatsamhita* (Vol.I), ed by Sadananda Shukla, (Hindi transs.), Bharatiya Vidya Sansthan, Varanari, 2011.

৩) *Brhatsamihita* (Vol I & II) ed. by Surakanta Jha (Hindi trans) Chowkhamba Sanskrit Series, Varanasi, 2011.

৪) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, ড° থানেশ্বৰ শর্মা, চন্দ্র প্রকাশ, পাণবজাৰ, গুৱাহাটী, ২০১৫।



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'বাসস্থান, গৃহ, গৃহভূমি আদি'।

২ নং প্রশ্নৰ উত্তৰ ঃ ভট্টোৎপল।

৩ নং প্রশ্নৰ উত্তৰ ঃ আদিত্যাদাস।

৪ নং প্রশ্নৰ উত্তৰ ঃ বৃহৎসংহিতা, বৃহজ্জাতক আৰু পঞ্চসিদ্ধান্তিকা।

৫ নং প্রশ্নৰ উত্তৰ ঃ বৰাহমিহিৰৰ পুত্ৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মা।

৭ নং প্রশ্নৰ উত্তৰ ঃ দৈৱজ্ঞ।

৮ নং প্রশ্নৰ উত্তৰ ঃ চৌষষ্ঠি (৬৪) হাত।

৯ নং প্রশ্নৰ উত্তৰ ঃ যুৱৰাজৰ ঘৰৰ বিস্তাৰ আৰু দৈর্ঘ্যৰ আধা হ'ল যুৱৰাজৰ অনুজসকলৰ ঘৰৰ বিস্তাৰ আৰু দৈর্ঘ্য।

১০ নং প্রশ্নৰ উত্তৰ ঃ ঘৰৰ বিস্তাৰ যিমান সিমানেই উচ্চতা হ'ব লাগে। এটা কোঠালীযুক্ত ঘৰৰ দৈর্ঘ্য বিস্তাৰৰ দুগুণ হ'ব লাগে।

১১ নং প্রশ্নৰ উত্তৰ ঃ ঘৰৰ বিস্তাৰৰ লগত ৭০ যোগ কৰিলে যি যোগফল হ'ব সেই যোগফলক ৩৫ ৰে হৰণ কৰিলে সেই ঘৰৰ অলিন্দৰ জোখ পোৱা যায়।

১২ নং প্রশ্নৰ উত্তৰ ঃ ৪ সংখ্যাক বুজায়। পাশাৰ চাৰিটা বিন্দু থকা ফালটোও বুজায়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ পদ পথ।

১৪ নং প্রশ্নৰ উত্তৰ ঃ চাৰিপ্রকাৰৰ — সোফ্ঞীষ, সায়াশ্রয়ম্, সাৱষ্টম্ভম্ আৰু সুস্থিতম্।

১৫ নং প্রশ্নৰ উত্তৰ ঃ ২৪ আঙুলি।

১৬ নং প্রশ্নৰ উত্তৰ ঃ ব্রাহ্মণ সম্প্রদায়ৰ পিতৃ আৰু শূদ্র সম্প্রদায়ৰ মাতৃৰ সন্তান।

১৭ নং প্রশ্নৰ উত্তৰ ঃ পিতৃ আৰু মাতৃৰ ঘৰৰ যোগফল উলিয়াই তাৰ আধা যি ফল পোৱা যাব সেয়াই ঘৰৰ জোখ। অর্থাৎ বিস্তাৰৰ যোগফলৰ আধা বিস্তাৰ দৈর্ঘ্যৰ যোগফলৰ আধা দৈর্ঘ্য।

১৮ নং প্রশ্নৰ উত্তৰ ঃ অন্ধকাসুৰক বধ কৰাৰ সময়ত শিৱৰ শৰীৰৰ পৰা নির্গত হোৱা ঘামৰ পৰা বাস্তুপুৰুষৰ উৎপত্তি হৈছিল।

১৯ নং প্রশ্নৰ উত্তৰ ঃ ঘৰৰ বিস্তাৰৰ দুগুণ হ'ব লাগে।

২০ নং প্রশ্নৰ উত্তৰ ঃ চৌষষ্ঠি (৬৪) হাত।

২১ নং প্রশ্নৰ উত্তৰ ঃ ঘৰৰ বিস্তাৰৰ সমান।



৯.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চমু টোকা লিখক—

বাস্তুপুৰুষ, বীথিকা, পাৰশৰ

খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ বৃহৎসংহিতা গ্ৰন্থৰ চমু পৰিচয় লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ বৃহৎসংহিতা গ্ৰন্থৰ বাস্তুবিদ্যাধ্যায়ৰ প্ৰথম এঁকেশটা শ্লোকৰ সাৰাংশ লিখক।

*** ***** ***